লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ২; জানুৱাৰী-জুন, ২০২১

# জুয়ে পোৰা হৃদয়

✍ ধূৰ্জ্জটি শঙ্কৰ দাস

নিশা প্ৰায় চাৰে দহটা মান হৈছে। মাজে মাজে কুকুৰৰ ভুক্-ভুকনি আৰু কেতিয়াবা কেতিয়াবা ফেঁচাৰ চিচিয়নিয়ে নিশাৰ নিস্তব্ধতাত ব্যাঘাত জন্মাইছে। গাঁওখনৰ মানুহখিনি এতিয়া গভীৰ টোপনিত লালকাল। আধুনিকতাৰ পোহৰে ঢুকি নোপোৱা ঘাইপথৰ পৰা প্ৰায় পঁয়ত্ৰিছ কি.মি. নিলগত অৱস্থিত গাঁওখনৰ এয়া এক চিৰ পৰিচিত ছবি। কিন্তু আজি...আজি সমগ্ৰ নিস্তব্ধতা নস্যাত কৰি দপ্-দপ্ কৈ জ্বলি উঠিছে তেঁতেলী জোপাৰ উত্তৰ দিশত থকা এটি জুপুৰী। জুইৰ লেলিহান শিখাই যিদৰে খন্তেক পিছতে পুৰি ছাই কৰিব সমগ্ৰ জুপুৰীটো ঠিক তেনেদৰে পুৰি ছাই হৈছিল ৰাফেৰ জীৱন। হয় ৰাফে। এগৰাকী কুৰি বছৰীয়া যুৱতী। বতাহৰ মৃদু কোবত উৰি ফুৰা ছাই বিলাকলৈ তাই অবিচলিত চকু দুটিৰে মাথোঁ চাই ৰৈছে। ভয়-শংকা একোৰে চিন-চাব নাই তাইৰ মুখাবয়বত। দপ্-দপ্ কৈ জ্বলি উঠা জুইকুৰা যেতিয়া ক্ষান্ত হ'বৰ সময় হ'ল, তাই ধীৰ খোজেৰে এখোজ-দুখোজকৈ আগবাঢ়িব ধৰিলে- চিনাকি বাটটিৰে অচিন দেশলৈ।

গাঁওখনৰ সৈতে ঘাইপথ সংযোগ কৰা ঠেক কেঁচা ৰাস্তাটোৱে হৈছে গাঁওখনৰ মানুহখিনিক বহিৰ্জগতৰ সৈতে সংযোগকাৰী মাধ্যম। ঘন জংগলৰ মাজেদি ফালি যোৱা ৰাস্তাটোত দিনৰ ভাগতে নিৰ্জনতাই বাস কৰে। তেনেক্ষেত্ৰত এই গভীৰ নিশা কিদৰে তাই আগুৱাই যাব সেই বাটেৰে? তাইৰ জানো জীৱনলৈ ভয় নাই? কেনে পৰিস্থিতিৰ সন্মুখীন হ'লে মানুহে জীৱনৰ মোহ এৰি দিব পাৰে? গভীৰ ভাবে নিদ্ৰাৰত শিশুৰ দৰে নিশ্চুপ হৈ আছে গাঁওখন। তাই এবাৰো ঘূৰি চোৱা নাই। আৰু কিছুদূৰ গ'লেই গাঁওখন শেষ হ'ব আৰু তাৰ পিছত আৰম্ভ হ'ব সেই বাট যি বাটত বিৰাজমান শূন্যতা। ভৰি দুখন যেন কিবা গধুৰ গধুৰ অনুভৱ হ'ল তাইৰ। এয়া অনাহাৰী দিন পাৰ কৰা বাবে নে আন কিবা? নে তাইক বিশ্ৰামৰ প্ৰয়োজন? আৰু কিমান দূৰ গ'লে তাই

জিৰণি ল'ব পাৰিব? তাইৰতো কোনো লক্ষ্যস্থান নাই। ৰাস্তাটোৰ কাষতে থকা জুৰিটিৰ পাৰৰ কৃষ্ণচূড়া গছডালৰ তলতে তাই বহিলে। শুক্লপক্ষৰ দশমী তিথিৰ জোনটিৰ পোহৰে অপৰূপ ৰহণ সানি দিয়া জুৰিটিৰ পানীখিনিলৈ তাই একান্তমনে চাই ৰ'ল। নিবিড়ভাৱে চাই চাই চিলমিল্ ঢৌ খেলি থকা পানীখিনিৰ সৈতে একাত্মবোধ অনুভৱ হ'ল তাইৰ। সঁপি দিব নেকি তাই নিজৰ সমস্ত সত্ত্বা জুৰিটিৰ ওচৰত। হঠাৎ গছডালৰ পৰা শুকান সৰু ডাল এটা তাইৰ সোঁ কান্ধত সৰি পৰাত উচপ খাই উঠিল তাই। ডালটো বাওঁহাতত লৈ পানীলৈ দলিয়াই দিব লৈয়ো তাই ৰৈ গ'ল। মনতে ভাৱ হ'ল সেয়া যেন ডালৰূপে তাইৰ দেউতাই তাইক সচকিত কৰিছে।

-

---------------

দলবন্ধা। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ; জান-জুৰি, খাল-বিল, খেতি পথাৰেৰে ভৰপূৰ এখনি জনজাতীয় সৰু গাঁও। কিন্তু শিক্ষা-দীক্ষাৰ ফালৰ পৰা পিচপৰা গাঁওখন একপ্ৰকাৰৰ অনুন্নত। খেতি-বাতি, গৰু, ছাগলী, গাহৰি পালন মানুহখিনিৰ জীৱিকাৰ মূল পথ। অৱশ্যে কিছু সংখ্যক মানুহ আন ঠাইত গৈ দিন হাজিৰা কৰিও দুবেলা দুমুঠি যোগাৰ কৰে। তেনে মানুহখিনিৰ ভিতৰত ৰাফেৰ দেউতাকো এজন। অত্যন্ত সহজ-সৰল মানুহ জনে নিজৰ সৈতে একমাত্ৰ ছোৱালীজনীৰ ভৰণ-পোষণ অশেষ কষ্টেৰে কৰি আহিছে। পত্নীৰ বিয়োগৰ পিচত ঘৰখনৰ সমস্ত দায়িত্ব মূৰ পাতি লোৱা ছোৱালীজনী কেতিয়া গাভৰু হ'ল তেওঁ ক'বই নোৱাৰিলে। কিন্তু বিয়া দিবলৈ তেওঁৰ এতিয়াও সম্বল হোৱা নাই। দিন হাজিৰা কৰি পোৱা টকাৰে কোনোমতে দুটা পেট পুহি আছে তেওঁ। দেউতাকে পুৱাই ওলাই যায়। ওচৰৰ গাঁওখনত যাৰ ঘৰত কাম মিলে, তাতেই কৰে। গোটেই দিনটো কাম কৰি দুপইচা উপাৰ্জন কৰি ঘৰলৈ উভতে মানে বেলি মাৰ যায়। তেনে ক্ষেত্ৰত ছাগলী আৰু মূৰ্গী কেইটা চোৱা-চিতা কৰিবলৈ তাইৰ বাহিৰে আন কোনো নাই। মাকৰ মৃত্যুৰ সময়ত তাই গাঁওৰ হাইস্কুলখনত নৱম শ্ৰেণীত পঢ়ি আছিল। যিখনৰ অৱস্থা শোচনীয়। হাইস্কুলখন স্থাপন হোৱাৰ পিচৰে পৰা যেন চৰকাৰৰ তাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই। আনকি গাঁওখনতো সচেতন মানুহৰ অভাৱ। সেয়েহে গাঁওখনত থকা এল. পি. স্কুলখনৰ লগতে হাইস্কুলখনৰো এনে দশা। ঘৰৰ কামত বেছিকৈ

মনোনিৱেশ কৰিব লগা হোৱা বাবে তাইৰ স্কুল যোৱা কমি গ'ল। ফলত স্কুলখনৰ সৈতে, তথাকথিত পঢ়া-শুনাৰ সৈতে সম্পৰ্ক নোহোৱা হৈ পৰিল । এনেদৰে শিক্ষা জীৱন সমাপ্ত কৰা ৰাফে এতিয়া কুৰি বছৰীয়া হ'ল। তাইৰ বিয়াক লৈ দেউতাকৰ মূৰত যে চিন্তা এটাই ভুমুকি মাৰিছে সেয়া তাই অলপ হ'লেও উপলব্ধি কৰিব পাৰিছে। কিন্তু দিনৰ দিনটো পৰিশ্ৰম কৰি ঘৰলৈ উভতে মানে দেউতাকক ভাগৰে লেবেজান কৰি পেলায়। সন্ধিয়া ভাত-পানী খায়েই তেওঁ শুবলৈ যায়। সেয়েহে চাগে আজিলৈ তেওঁ তাইৰ সৈতে বিয়া সম্পৰ্কে একো কথা পাতিব পৰা নাই। মাথোন তেওঁৰ আৰ্থিক অৱস্থাই কিদৰে তাইৰ ফুল কুমলীয়া দিনবোৰ কঠোৰ দায়িত্বৰ মাজলৈ ঠেলি দিছে আৰু সেই ভাৱনাই তেওঁক অস্থিৰ কৰি তুলিছে। তাই বুজি উঠিছিল দেউতাকৰ অৱস্থা, কম বয়সতে মাকক হেৰুওৱা ছোৱালীজনীৰ দেউতাকৰ বাহিৰেনো কোন আছে? দেউতাকে কৰা অপাৰ পৰিশ্ৰমৰ মূল্য তাই বুজে। দেউতাকৰ প্ৰতি তাইৰ সহানুভূতি আৰু মৰম বহুত বেছি, সেইবাবে হয়তো তাইৰো মন নাই দেউতাকক এৰি আনৰ ঘৰলৈ বিয়া হৈ যাবলৈ। বয়স প্ৰায় চল্লিশৰ উৰ্দ্ধ হোৱা দেউতাকে আৰু কিমান দিন এনেকৈ কাম কৰি চলিব পাৰিব, এদিনতো দেউতাকৰ আল-পৈচান তায়ে ধৰিব লাগিব। এনেবোৰ কথাই কেতিয়াবা তাইক আমনি নকৰা নহয়। তাই জানো দেউতাকৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিব নোৱাৰিবনে?

সময়বোৰ একে ধৰণেই পাৰ হৈ থাকিলে কিনো আছিল? তাই জানো জানিছিল কালচক্ৰৰ সেই ক্ষণ, যি ক্ষণে তাইৰ জীৱনলৈ কঢ়িয়াই আনিব অমানিশাৰ ঘোৰ অন্ধকাৰ?

- দেউতা, আজি কামলৈ নোযোৱা? ৰাতিপুৱা হাত-মুখ ধুই পিৰালিতে বহি থকা দেউতাকক তাই শুধিলে।

-কেইদিন মান কামলৈ যোৱা নহ'ব। কিবা বোলে বেমাৰৰ কাৰণে বিশ দিনৰ বাবে সকলো বন্ধ থাকিব। কোনো বাহিৰত যাব নোৱাৰে।

-কিন্তু দেউতা....

তাইৰ কথা শেষ নৌহওঁতে তেওঁ ক'লে , "বিশ দিন চলিম কেনেকৈ? ঘৰত যি চাউল, দাইল, ৰেচন পাতি আছে সেয়া দুই-তিনি দিন মানহে যাব, আমাৰ নিচিনা মানুহে এদিন কাম নাপালেই চলিবলৈ অসুবিধা হয় আৰু বিশদিন...."

তাই একো নকলে মাথোন দেউতাকৰ মুখলৈ চাই ৰ'ল।

আন আন ঠাইৰ নিচিনা নহ'লেও দলবন্ধাতো লকডাউনৰ কিছু প্ৰভাৱ পৰিছে। মানুহখিনি যে ঘৰৰ পৰা ওলোৱা নাই তেনে নহয়, অকল গাঁওখনৰ মাজ-মজিয়াত থকা সৰু বজাৰখন বন্ধ হৈ আছে। তিনিখনমান গেলামালৰ দোকানৰ বাহিৰে বাকী দোকান-পোহাৰ নাই বুলিয়েই ক'ব পাৰি। ভিতৰুৱা ঠাই বুলি আৰক্ষীয়ে টহল দিবলৈও কাচিত হে আহে, সেয়েহে চাগে লকডাউনৰ পূৰ্ণ প্ৰভাৱ পৰা নাই। যি কেইখন গেলামাল দোকান খোলা থাকে, ডেকা-বুঢ়া মিলি দিনৰ দিনটো তাতেই আড্ডা দিয়ে। তেনে আড্ডাৰ মাজত কেতিয়াবা ৰাফেৰ দেউতাকেও ভাগ লয়। এনেদৰে দিনবোৰ পাৰ হৈ আছে মানে লকডাউন বাঢ়ি আছে। ৰাফেহঁতৰ নিচিনা পৰিয়ালক চৰকাৰী সাহাৰ্য্য হিচাপে দিয়া চাউল কেইটাই কিছু সকাহ দিছে যদিও সেয়া পৰ্যাপ্ত নহয়। এৰা, শুধা ভাতকেইটা খাইতো জীয়াই থাকিব নোৱাৰি। ৰাফেই মূৰ্গীৰ কণী বিক্ৰী কৰি কৰি জমা কৰা টকা কেইটা ইতিমধ্যে শেষ, দেউতাকে জমা কৰা গাঁঠিৰ ধনখিনিও শেষ হওঁ হওঁ। সেইবাবে দেউতাকে মূৰ্গী কেইটা এটা এটাকৈ বিক্ৰী কৰি দিলে। তেনেকৈ কিছুদিন চলিল, এতিয়া মাথোন অপেক্ষা কেতিয়া কামলৈ যাব পাৰিব? প্ৰায় তিনি মাহ ঘৰতে বহি বহি এটকাও উপাৰ্জন নকৰাকৈ দুবেলা দুমুঠি যোগাৰ কৰাটো লাহে লাহে তেওঁৰ বাবে টান হৈ পৰিল। এনেই কষ্টেৰে দিন পাৰ হয় তাতে আকৌ উপাৰ্জন নাই। হতাশা আৰু দুৰ্দশাৰ সমাহাৰত জীৱনে কি ৰূপ ল'ব পাৰে তাক কল্পনা কৰিব নোৱাৰি। ৰাফেৰ দেউতাকৰ বাবে সময়বোৰ বৰ কঠিন হৈ পৰিছে। ছাগলী কেইজনী বিক্ৰী কৰাৰ কথা মনলৈ আহি থাকে যদিও, ৰাফেৰ বিয়াৰ কথা ভাবি থমকি ৰয়। ছাগলী কেইজনী বিক্ৰী কৰি পোৱা টকাৰেই তাইৰ বিয়াৰ খৰচ উলিয়াব বুলি তেওঁ মনে মনে ভাবি থৈছে। বৰ্তমান আৰু ভৱিষ্যতৰ দোমোজাত তেওঁ একো ভাবি পোৱা নাই, কি কৰিব কি নকৰিব এইবোৰ কথা ভাবি থাকোতে তেওঁৰ চকু পৰিল তেঁতেলী জোপালৈ...

তেঁতেলীজোপাৰ উত্তৰ দিশতে তেওঁলোকৰ ঘৰ। পিচে এই তেঁতেলীজোপাৰ এক ইতিহাস আছে, যি ইতিহাসত খোদিত হৈ আছে অন্ধবিশ্বাসৰ আঁচোৰ। এয়া আমাৰ বাবে অন্ধবিশ্বাস কিন্তু আমাৰ

নিচিনা একেই তেজ মঙহেৰে গঢ়া দলবন্ধা গাঁৱৰ মানুহখিনিৰ বাবে ই এক পৰম্পৰা, যি পৰম্পৰাই শংকিত কৰি ৰাখে তেওঁলোকক। বহু বছৰ আগৰ পৰাই মুখে মুখে প্ৰচলিত হৈ আছে তেঁতেলীজোপাৰ প্ৰবাদ। এবাৰ হেনো তেঁতেলীজোপা গৃহস্থই কাটিব লওঁতে তাৰ পৰা তেজ ওলাল। তেতিয়াৰে পৰা প্ৰচলিত যে তেঁতেলীজোপা আচলতে দেৱতা, গতিকে তাক কটাতো বাদেই তাৰ তেঁতেলীও কোনো পাৰিব নাযায়। তেতিয়াৰে পৰা তেঁতেলীজোপা চাৰিওপিনে বাঁহেৰে বেৰি আচুতীয়াকৈ ৰখা হ'ল। যদিহে কোনোবাই ইয়াত আঘাত কৰে, দেৱতা ক্ৰোধিত হ'ব আৰু গাঁওখনলৈ বিপদ নামি আহিব। ভয়-শংকা আৰু অন্ধবিশ্বাসৰ জালেৰে বান্ধ খাই থকা মানুহখিনি আজিলৈ তাৰ বাঁহৰ বেষ্টনীৰ ভিতৰত প্ৰৱেশ কৰা নাই।

ক্ষুধাৰ তাড়না আৰু জীৱনৰ যন্ত্ৰণাই মানুহক কি কৰিব নিশিকায়? যদিওবা তেওঁৰ সাহ হয় বেষ্টনী ভেদি তেঁতেলী বুটলি আনিবলৈ কিন্তু বিকিব ক'ত? আৰু যদি সঁচাকৈ দেৱতা ক্ৰোধিত হয়? যদি কোনোবাই গম পায় তাৰ বাবে তেওঁ দায়ী বুলি তেতিয়া? এইবোৰ কথা ভাবি ভাবি তেওঁ দুপৰীয়া কোনোৱে নেদেখাকৈ তেঁতেলীজোপাৰ ওচৰলৈ গ'ল। কিছু সময় একেথৰে চাই ৰ'ল তেঁতেলীৰূপী দেৱতাজনলৈ (?) তেওঁৰ মনৰ মাজত উদ্বেলিত কথাবোৰৰ যিমানেই গভীৰতা নাথাকক কিয় জীৱন নিৰ্বাহৰ হেঁপাহৰ ওচৰত হাৰ মানি গ'ল।

- দেউতা, এয়া তুমি কি কৰিছা? যদি তোমাৰ কিবা হয়....

বিচনাৰ তলত গোট খাই থকা তেঁতেলীখিনি দেখি ৰাফে চিঞৰি উঠিল, তাইৰ কথা শেষ নহওঁতে দুচকুৰে নামি আহিল চকুলো।

- নাকান্দিবা, একো নহয়, এইবোৰ সকলো মিছা কথা। জীয়েকক সান্তনা দিবলৈ কথাখিনি ক'লে যদিও তেওঁৰ মনত কিন্তু তেতিয়াও চক্ৰাকাৰে ঘূৰি আছিল এটাই প্ৰশ্ন দেৱতা যদি ক্ৰোধিত হয়?

পিছদিনা ৰাতিপুৱাই প্ৰায় দহ কেজি মান তেঁতেলী লৈ তেওঁ টাউনলৈ ওলাই গ'ল। কেইদিনমানৰ পৰা লকডাউন কিছু শিথিল হোৱা বাবে দুই এখন দোকান-পোহাৰ খুলিছে। মানুহে ইফালে-সিফালে যাব পৰা হৈছে। তাৰ সুযোগতে ৰাফেৰ দেউতাই গাঁওখনৰ কোনো মানুহে গম নোপোৱাকৈ পুৱাই গৈ তেঁতেলীখিনি বিক্ৰী কৰি

ঘৰলৈ উভতি আহিল। তেঁতেলী বিক্ৰী কৰি পোৱা টকাৰে কেইদিনমান চলিব পাৰিব বুলি তেওঁৰ মুখত প্ৰসন্নতাৰ ভাৱ স্পষ্ট ৰূপত ফুটি উঠিল।

- কি অ' টেমাচ ৰাতিপুৱাই ক'ত গৈছিলি? ৰাফেৰ দেউতাকক উদ্দেশ্যি নঙলা মুখৰ পৰাই মাত লগালে তেওঁৰ সৈতে একেলগে কাম কৰিব যোৱা ওডেনে।

- অ' আহ ভিতৰলৈ, নাই এনেই অলপ ওলাই গৈছিলো, কিমান আৰু পেটত গামোছা বান্ধি থাকিবি, অলপ কাম বিচাৰি গৈছিলোঁ কিন্তু নিমিলিল ক'তো। প্ৰকৃত কথা লুকুৱাই থ'লে তেওঁ। সত্য কথা পোহৰলৈ আহিলেই কেনেকুৱা ভয়াৱহতাৰ সৃষ্টি হ'ব সেয়া তেওঁৰ জ্ঞাত।

- ৰাতিপুৱা এবাৰ আহিছিলো, ছোৱালীজনীয়ে ক'লে তই নাই বুলি। ময়ো বিশেষ নুসুধিলো। ব'ল মণ্টুৰ দোকানতে অলপ বহোগৈ।

মই এতিয়া নাযাওঁ দে। অলপ কাম আছে।

- তেন্তে মই আহোঁ। ওডেন ওলাই গ'ল মণ্টুৰ দোকানৰ আড্ডাৰ অংশীদাৰ হ'বলৈ।

সেইদিনা আবেলি কোনোবাই মন কৰিলে যে তেঁতেলীজোপাত লাগি থকা তেঁতেলীৰ সংখ্যা তেনেই কম। তাৰ পিচত কথাটো ইকাণ সিকাণ বাগৰি হুৱাদুৱা লাগিল। ৰাইজৰ মাজত এক প্ৰকাৰৰ আতংকৰ সৃষ্টি হ'ল কিন্তু কোনেও গম নাপালে কামটো কোনে কৰিলে। কেইদিনমানৰ পৰা ভয়-শংকা আৰু বিভ্ৰান্তিৰ মাজেৰে দিনবোৰ পাৰ হৈ আছে। গাঁওখনলৈ কেনেধৰণৰ ভয়াবহতা নামি আহিব তাৰ কথা মানুহৰ মুখে মুখে বাগৰিব ধৰিলে। আতংকৰ ৰণশিঙা বজাই গাঁওখনত ক'লা ডাৱৰে ছানি ধৰিলে, আৰম্ভ হ'ল অমানিশাৰ ঘোৰ অন্ধকাৰ। দুই এজনকৈ কেইবাজনো মানুহৰ জ্বৰ, কাঁহ , মূৰৰ বিষে দেখা দিছে আৰু তাৰ ভিতৰত ওডেনো এজন। গাঁওখনত থকা প্ৰখ্যাত কবিৰাজ জনৰো ঔষধে কাম কৰা নাই। পুলিচে ধৰি লৈ যোৱাৰ ভয়ত কোনো মানুহে ওচৰৰ গাঁওখনত থকা হস্পিতালখনত দেখুৱাব যোৱা নাই। দিনে দিনে ওডেনৰ স্বাস্থ্যৰ অৱনতি ঘটিছে, খাব লব মন যোৱা নাই। কথা প্ৰসংগত তেওঁ ঘৰৰ মানুহখিনিক ক'লে যে যিদিনা তেঁতেলীবোৰ নাইকিয়া হৈছিল সিদিনা পুৱাৰ পৰা টেমাচ ঘৰত নাছিল। কিজানি সিয়ে সেয়া পাৰি লৈ বিক্ৰী কৰি আহিল। সি পাপ কৰিছে, ঘোৰ পাপ সেইবাবে তেনে পাপী মানুহৰ ঘৰত যোৱা বাবে তাৰ আজি এই দুৰ্দশা।

ওডেনৰ মৃত্যু হোৱাৰ পিচত তেওঁৰ ঘৰৰ মানুহে তেঁতেলীৰ কথাটো ৰাজহুৱা কৰিলে আৰু কোনো প্ৰমাণ নোপোৱাকৈ ৰাফেৰ দেউতাকক জগৰীয়া কৰা হ'ল। ওডেনৰ মৃত্যু, গাঁওখনত ছানি ধৰা বেমাৰ-আজাৰৰ বাবে অঘোষিত দায়ী মানুহজন হ'ল ৰাফেৰ দেউতাক। এনেকুৱা পাপী মানুহ এইখন গাঁওত থাকিলে সকলো মানুহ মৰি শেষ হ'ব, তেওঁ থকালৈ দেৱতা সন্তুষ্ট নহয়, তেওঁক ইয়াৰ পৰা উলিয়াই দিব লাগে এনেবোৰ কটূক্তি এতিয়া ৰাফেৰ দেউতাকৰ বাবে চিৰ পৰিচিত। আনকি কোনো মানুহে তেওঁলোকৰ লগত কথা-বতৰা নপতা হ'ল। কোনো দোকানীয়ে বস্তু-বাহানিও নিবিকা হ'ল বৰং দূৰৰ পৰাই খেদি দিয়া হ'ল।

অনাহাৰী, অনিদ্ৰা আৰু মানুহৰ ককৰ্থনাৰ মাজেৰে দিন পাৰ কৰিবলগীয়া হোৱাত মানুহজন ভাগি পৰিল। সমগ্ৰ গাঁওখনৰ দুৰ্গতিৰ বাবে নিজকে জগৰীয়া অনুভৱ হ'ল। তদুপৰি ওডেনৰ মৃত্যুৱেও তেওঁক মৰ্মাহত কৰিছে। কিন্তু সিদিনা গাঁওৰ কেইজনমান মানুহে ঘৰ জ্বলাবলৈ অহাত তেওঁ সম্পূৰ্ণৰূপে ভাগি পৰিল। কোনোবাইহে ক'লে যে তেওঁৰ ঘৰত সোমালেই মৃত্যু নিশ্চিত, নহ'লেনো ওডেনৰ মৃত্যু হয় নে? তেওঁ বোলে তেঁতেলীজোপাত আঘাত কৰা বাবে দেৱতা এতিয়া তেওঁৰ ঘৰত বাস কৰিব লৈছে। এনেবোৰ লাঞ্চনা-বাঞ্চনা অপবাদ সহি সহি মানুহজন মৃত প্ৰায় অৱস্থা পাইছে।

পিছদিনা ৰাতিপুৱা শুৱাপাটীত দেউতাকক নাপাই ইফালে-সিফালে বিচাৰি ফুৰোঁতে তেঁতেলীজোপালৈ চকু গ'ল। তাইৰ যেন পৃথিৱী শেষ হৈ গ'ল। কালিমা সনা জীৱনলৈ যেন নামি আহিল নিৰ্মমতাৰ কৰ্কশ প্ৰহাৰ যাৰ প্ৰহাৰত থানবান্ হ'ল তাইৰ জীৱন। তাইৰ কান্দোনৰ চিঞৰত সমগ্ৰ পৃথিৱীখনেই সাৰ পাইছে যদিও দলবন্ধা গাঁওখনৰ যেন কানত পৰা নাই তাইৰ টেটু ফলা চিঞৰ। তেঁতেলীজোপাত ওলমি থকা দেউতাকৰ মৃতদেহ তাই অকলেই নমাই আনিলে। কোনো আগবাঢ়ি নাহিল। কাৰো মুখত বা কথাত দুখৰ চিন পোৱা নগ'ল বৰং দুই এজনে গৰিহণাহে দিলে যে এয়া দেৱতাক কৰা অপমানৰ ফল।

তাইৰতো এতিয়া কোনো নাই। গাঁওখনতো তাইৰ নহয়। যিখন গাঁৱৰ মানুহে সিহঁতক এঘৰীয়া কৰিলে, যিখন গাঁৱৰ মানুহে তাইৰ দেউতাকৰ প্ৰাণ ল'লে সেইখন গাঁও তাইৰ হ'ব নোৱাৰে। এতিয়াতো

তাইৰ জীৱন বুলিবলৈ একো নাই। তাই মাথোন উমি উমি জ্বলি থকা একুৰা জুই; লাজ, অপমান, লাঞ্ছনা আৰু বাঞ্ছনাৰ বলি হোৱা এটি জীৱন য'ত নাই জীয়াই থকাৰ হেঁপাহ। তাই থিৰাং কৰিলে তাই গুচি যাব সকলো এৰি কিন্তু যাব ক'ত? তাই নাজানে, তাই একোকে নাজানে? তাই মাথোন এৰি যাব এই ঠাই য'ত মৃতদেহ এটায়ো মানুহৰ সহানুভূতি পাব নোৱাৰে। কিন্তু যোৱাৰ আগতে পৱিত্ৰ কৰি যাব গাঁওখন, অনলৰ প্ৰচণ্ড শিখাই পুৰি পেলাব সকলো অপবাদ, সকলো অপমান। ছাগলী কেইজনী এৰি দি তাই ঘৰটো জ্বলাই দিলে আৰু চাই ৰ'ল সকলো পুৰি পুৰি শেষ হোৱালৈ দুচকু থৰ লাগি...

কথাবোৰ ভাবি ভাবি তাইৰ দুনয়নেৰে বাগৰি গ'ল অশ্ৰুজল.... বহাৰ পৰা উঠি তাই যাত্ৰা আৰম্ভ কৰিলে সেই নিৰ্জন পথেৰে যি পথে অনন্ত কাললৈ সাঁচি ৰাখিব এটি নাম...য'ত খোদিত হৈ থাকিব এক কৰুণ গাঁথা আৰু আৰু জ্বলি থাকিব একুৰা জুই...

**যোগাযোগৰ ঠিকনা:**
দলগোমা, গোৱালপাৰা
ই-মেইল: sankardhurjjati@gmail.com